# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু আভাস**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত উমৰ (ৰাঃ)ৰ জীৱনৰ ঘটনাৱলী সম্পৰ্কে বৰ্ণনা চলি আহি আছে। আজিও তেখেত (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হ'ব।হজতৰ মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ইয়ামিনৰ ভূমি খণ্ড যি ঈছাই আৰু ইহুদীসকলৰ অধীনত আছিল নীতিগত হিচাপে শাসকে তাৰ মালিক আছিল। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া তেওঁলোকক আৰবৰ পৰা বহিস্কাৰ কৰি দিছিল তেতিয়া তেওঁলোকৰ পৰা সেই ভূমি খণ্ড কাঢ়ি লোৱা নাছিল বৰং তাৰ মূল্য হিচাপে কিনি ৰাখিছিল। ফাতাহুলবাৰী শ্বৰাহ বুখাৰীত লিখা আছে যে হজৰত উমৰ (ৰাঃ)য়ে নজৰাণৰ পৌত্তলিক ইহুদী আৰু ঈছাই সকলক উচ্ছেদ কৰি খেদি পঠিয়াইছিল আৰু তেওঁলোকৰ মাটি জমিন,বাগ-বাগিছাৰ মূল্য দি কিনি লৈছিল।

ইছলামত যুদ্ধ বন্দী সকলৰ বাহিৰে বেলেগক দাম হিচাপে ব্যৱহাৰ কৰাটো নিষধ, এই সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আল্লাহ তা'লা কৈছে- হে মুছলমানসকল! তোমালোকে বেলেগ লোক সকলৰ দৰে বিচৰা নেকি যে বেলেগ সম্প্ৰদায়ৰ লোকক ধৰি আনি নিজৰ শক্তি বঢ়াই ল'বা ? আল্লাহ তা'লা সেয়া বাঞ্চা নকৰে বৰং সি বিচাৰে যে তোমালোকক সেই আদেশৰ ওপৰত চলাব,যাৰ ফলাফল তোমালোকৰ বাবে অধিক উত্তম হয়। গতিকে তোমালোকে যুদ্ধ বন্দী সকলক যিসকলক যুদ্ধ চলাকালীন অৱস্থাত গ্ৰেপ্তাৰ কৰি লোৱা হয়,এওঁলোকৰ বাহিৰে অইন কোনো লোকক কয়েদী নবনাবা। ইছলামৰ প্ৰাথমিক অৱস্থাত এই আদেশ কঠোৰ ভাৱে পালন কৰা হৈছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ইয়ামিনৰ পৰা এদল মানুহ আহি অভিযোগ দাখিল কৰিছিল যে ইছলামৰ আগত ঈছাই সকলে তেওঁলোকক এনেয়ে দাস বনাই ৰাখিছে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মই এই বিষয়ে অনুসন্ধান কৰিম। ইয়াৰ বিপৰীত ইউৰোপত উনৈছ শ শতাব্দীলৈকে দাস প্ৰথা চলি আছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ওঠৰ হিজৰিত মদিনা আৰু ইয়াৰে ওচৰে-পাজৰে থকা অঞ্চল সমূহত বতৰ খৰাং হোৱাত পানীৰ অভাৱত মাটি শুকাই ছাই বৰণৰ হৈ গৈছিল আৰু এনে বতৰ ন মাহলৈকে

চলিছিল। সেই বছৰটোক আমুৰ ৰমাদা অৰ্থাৎ ছাইৰ বছৰ বুলি কোৱা হয়। এনে অৱস্থাত হজৰত উমৰ (ৰাঃ)য়ে মিচৰৰ অধিপতি হজৰত উমৰু বিন আল আচলৈ সহায় বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। সেই পত্ৰ অনুসৰি হজৰত উমৰু বিন আল আচ (ৰাঃ)য়ে এক হাজাৰ উটত খাদ্য সম্ভাৰ,আনাজ ইত্যাদি প্ৰেৰণ কৰিছিল আৰু ইয়াৰ ওপৰি ঘি আৰু কাপোৰ আদিও পঠিয়াইছিল। আনফালে ইৰাকৰ অধিপতি হজৰত ছাআদ (ৰাঃ)য়ে তিনি হাজাৰ উট খাদ্য শস্য আৰু শাক-পাচলি মদিনালৈ পঠাইছিল। যিবিলাক হজৰত উমৰ (ৰাঃ)য়ে গাওঁবাসী সকললৈ প্ৰেৰণ কৰিছিল। সেই দুৰ্ভিক্ষৰ সময়ত হজৰত উমৰ (ৰাঃ)য়ে নিজে খাদ্য প্ৰস্তুত কৰাৰ কাম পৰিচালনা কৰিছিল আৰু সকলোৰে সৈতে মিলি একেলগে আহাৰ আদি খাইছিল। এখেত (ৰাঃ)য়ে ধাৰাবাহিক ভাৱে ৰোজা ৰখা কৰিছিল। এদিন এটা উট জবাই কৰা হৈছিল আৰু আবেলি পৰত সেই উটৰ কলিজা আৰু কুঁজৰ মাংস আনি হজৰত উমৰ (ৰাঃ)ক দিয়া হৈছিল। তেতিয়া তেখেত (ৰাঃ)য়ে সুধিছিল যে এইবোৰ ক'ৰ পৰা অনা হৈছে। তেতিয়া মাংস লৈ আনোতায় উত্তৰত কৈছিল আজি উট এটা জবাই কৰা হৈছে,এয়া তাৰেই মাংস। হজৰত উমৰ (ৰাঃ)য়ে মাংস দেখি কৈছিল যে আফছোছ ! মই কিমানেই যে বেয়া পৰিচালক হ'ম এই মাংসৰ ভাল অংশখিনি নিজৰ বাবে ৰাখি পেলনীয় অংশ লোকক খাবলৈ দিওঁ।সেই দুৰ্ভিক্ষৰ সময় ছোৱাত হজৰত উমৰ (ৰাঃ)য়ে ঈশাৰ  নমাজৰ পিছৰ পৰা শেষ ৰাতিলৈকে নমাজ পঢ়ি থাকিছিল আৰৌ মদিনাৰ চাৰিওফালে ঘূৰি-পকি চাইছিল। তেখেত (ৰাঃ)য়ে আল্লাহ তা'লাৰ ওচৰত দোৱা কৰিছিল হে আল্লাহ ! মোৰ হাতত মহম্মদ (ছাঃ)ৰ উম্মতক ধ্বংসৰ গৰাহত পেলাই নিদিবা।

ইবনে তাউয়ছ নিজৰ পিতাকৰ পৰা ৰিৱায়ত কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে নে মাংস খাইছিল,নে ঘি খাইছিল, যেতিয়ালৈকে দুৰ্ভীক্ষ গ্ৰস্ত লোক সকলে আনন্দিত হোৱা নাছিল। আয়াজ বিন খলিফা কৈছে যে দুৰ্ভীক্ষৰ বছৰটোত হজৰত উমৰ (ৰাঃ)ৰ গাৰ বৰণ ক'লা পৰি গৈছিল। লোক সকলে কোৱা মেলা কৰিছিল যে যদি আল্লাহ তা'লা এই দুৰ্ভীক্ষ দূৰ নকৰে তেন্তে হজৰত উমৰ (ৰাঃ)মুছলমান সকলৰ চিন্তাত মৰি যাব। মদিনাৰ সকলো অঞ্চলতে অঘৰী লোক সকলে আহি বৈ আছিল,হজৰত উমৰ (ৰাঃ)য়ে বিভিন্ন চাহাবা সকলৰ জৰিয়তে তেওঁলোকৰ সংখ্যা গণনা কৰোৱাইছিল; তেওঁলোকৰ পানাহৰৰ ব্যৱস্থা কৰি দিছিল।

যেতিয়া সেই দুৰ্ভীক্ষ চৰম পৰ্যায়ত পাইছিলগৈ তেতিয়া এজন ব্যক্তিয়ে সপোনত দেখিছিল যে আঁ-হজৰত (ছাঃ)য়ে সকলোকে দোৱা কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰি আছে। গতিকে হজৰত উমৰ (ৰাঃ)ৰ নিৰ্দেশ মৰ্মে নমাজে ইস্তেছকা আদায় কৰা হৈছিল। ৰাৱী (বৰ্ণনাকাৰী) কৈছে যে এই নমাজ পঢ়ি ঘৰলৈ গৈ পোৱাৰ লগে লগেই ডবা-পিটা বৰষুণ হৈ পথাৰ বুৰি গৈছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত মছজিদ নবৱীত সৰ্বপ্ৰথম বিছনা পাৰি দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এখেত (ৰাঃ)ৰ খিলাফৎ কালতেই চন সোতৰ হিজৰিত মছজিদে নবৱী আৰু আহল-বহল কৰি নিৰ্মাণ কৰা হৈছিল। সেই সম্প্ৰসাৰণৰ কামত বহুত কম খৰচতে মছজিদ খন ৰছুলুল্লাহ (ছাঃ)ৰ ব্যক্ত কৰা নক্সা অনুযায়ী স্থাপন কৰা হৈছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালতেই লোক-পিয়লৰ কাম আৰম্ভ হৈছিল,এনেদৰে খাদ্য যোগান দিয়াৰ ব্যৱস্থাৰ বাবে ৰেচন কাৰ্ডৰ প্ৰৱৰ্ত্তন কৰা হৈছিল।

ইছলামী শাসনৰ আইন প্ৰণালী কেনেদৰে চলিছিল,সেই সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ৰছুলে কৰিম (ছাঃ)য়ে মদিনালৈ আহি প্ৰথমে এই কামটো কৰিছিল যে মাটি সম্পত্তি থকা সকলক ভূমিহীন সকলৰ ভাই বনাই দিছিল। আনছাৰ আৰু মুহাজেৰিণ সকলৰ মাজত স্থাপন কৰি দিয়া ভাতৃত্ববন্ধন ইছলামী মমতা স্থাপনৰ প্ৰথম নিদৰ্শন আছিল। এনেদৰে এটা যুদ্ধৰ সময়ত তেখেত (ছাঃ)য়ে সকলোৰে বাবে

ৰেচন নিৰ্ধাৰণ কৰি দিছিল যাতে সকলোৱে পৰিমাণ অনুযায়ী খাদ্য পাব পাৰে। যেতিয়া বেহৰাইনৰ ৰজায় মুছলমান হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে তাক নিৰ্দেশ দিছিল যে তোমাৰ ৰাজ্যত থকা লোক সকলৰ মাজত যি সকলৰ উপাৰ্জনাৰ্থে কোনো ধৰণৰ ভূমি নাই, তুমি সেই সকল লোকক চাৰি দেৰহাম আৰু পিন্ধা কাপোৰ দিয়া যাতে তেওঁলোকে ভোকে পিয়াহে আৰু বস্ত্ৰহীন হৈ নাথাকে। ৰছুলে কৰিম (ছাঃ)ৰ তিৰুধানৰ পিছত যেতিয়া মুছলমান সকলে পৃথিৱীৰ চুকে কোণে সিঁচৰিত হৈ পৰিছিল তেতিয়া সকলোৰে বাবে ৰুটিৰ ব্যৱস্থা কৰাটো জটিল হৈ পৰিছিল। এনে পৰিস্থিতি চাই হজৰত উমৰ (ৰাঃ)য়ে সকলো লোকৰ বাবে লোক পিয়লৰ ব্যৱস্থা কৰি ৰেচন দিয়াৰ ব্যৱস্থা প্ৰচলন কৰিছিল।

তেখেত (ৰাঃ)য়ে এই লোক পিয়ল প্ৰজাৰ ধনমাল কাঢ়ি ল'বলৈ কৰা নাছিল বৰং তেওঁলোকৰ খাদ্যৰ ব্যৱস্থা কৰিবলৈ প্ৰচলন কৰিছিল। বিশ্বৰ সকলো শাসকেই লোক পিয়লৰ ব্যৱস্থা কৰে একমাত্ৰ প্ৰজাক বলিৰ পঠা সজাবলৈ আৰু সৈন্যবল বঢ়াই তুলিবলৈ কিন্তু হজৰত উমৰ (ৰাঃ)য়ে লোক পিয়লৰ ব্যৱস্থা কৰিছিল লোকলৈ সৰবৰাহ কৰাৰ নিমিত্তে। এয়াই আছিল প্ৰথম পদক্ষেপ যি ইছলামত লোকৰ মৌলিক অভাৱ সমূহ দূৰীকৰনাৰ্থে লোৱা হৈছিল। যদি এনে ব্যৱস্থাপনাৰ প্ৰতিষ্ঠিত হয় তেন্তে বেলেগ উপায় অৱলম্বনৰ প্ৰয়োজন নহ'ব কাৰণ ৰাজ্যৰ অভাৱ অভিযোগ দূৰ কৰাৰ দায়িত্ব চৰকাৰে ল'ব লাগে। আজি কালি কোৱা হয় যে ছোবিয়েট ৰাচিয়াত দৰিদ্ৰ সকলৰ বাবে থকা খোৱা আৰু কাপোৰ কানিৰ যোগান ধৰা হয়,আচলতে সৰ্বপ্ৰথমে ইছলামে এনে ধৰণৰ খাদ্য বিভাগ ইছলাম শাসনত প্ৰৱৰ্ত্তন কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত প্ৰত্যেক গাওঁ প্ৰত্যেক অঞ্চল আৰু প্ৰত্যেক চহৰৰ লোকসকলৰ নাম ৰেজিষ্ট্ৰাৰ কৰি লোৱা হৈছিল। ইছলামী শাসন অনুযায়ী প্ৰত্যেকজন ব্যক্তিৰ খাদ্য,বস্ত্ৰ,বাসস্থানৰ দায়িত্ব চৰকাৰৰ ওপৰত ন্যস্ত হয়। আজি কালি বেলেগ বেলেগ শাসক সকলেও এই পদ্ধতি অনুসৰণ কৰিবলৈ লৈছে। বীমা আৰু ফ্যামিলি পেন্সন বিভিন্ন ধৰণে মুকলি কৰা হৈছে। তথাপি ডেকা বুঢ়া দুয়ো শ্ৰেণীৰ বাবে খাদ্য বস্তুৰ দায়িত্ব চৰকাৰৰ ওপৰত থাকে। এই নীতি ইছলামৰ আগত কোনো ধৰ্মই অৱলম্বন কৰা নাছিল।

চন ২০ হিজৰিত হজৰত উমৰ (ৰাঃ)য়ে মকবুজা দেশ খনক আঠোটা ৰাজ্যত বিভক্ত কৰিছিল যাতে পৰিচালনা কৰাত সহজ হয়। এনেদৰে এখেত (ৰাঃ)ৰ খিলফৎ কালতেই মজলিচে শুৰা (পৰামৰ্শ সভা) প্ৰৱৰ্তন কৰা হৈছিল। সেই মজলিচে শুৰাত আনছাৰ আৰু মুহাজিৰিণ সকলৰ পৰা কুবাৰ চাহাবা সকলে অংশ গ্ৰহণ কৰিছিল। দৈনিক উত্থাপন হোৱা মামলা বিলাকত এই মজলিচৰ ৰায় চূড়ান্ত বুলি গন্য কৰা হৈছিল। কিন্তু যেতিয়া কোনো এটা গুৰুত্ব পূৰ্ণ বিষয় সম্পৰ্কে সিদ্ধান্ত ল'ব লগা হৈছিল তেতিয়া মুহাজিৰিণ আৰু আনছাৰ সকলৰ সাধাৰণ বৈঠক বহা কৰিছিল আৰু সৰ্ব সন্মতি ক্ৰমে সিদ্ধান্ত লোৱা হৈছিল বা সমস্যা সমাধান কৰা হৈছিল। ইয়াৰ ওপৰি আন এটা মজিলচ আছিল য'ত দৈনিক ব্যৱস্থাপনা আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হৈছিল। এই সভা সদায় মছজিদে নববীত অনুষ্ঠিত হৈছিল আৰু কেৱল মুহাজিৰ চাহাবা সকলে এই সভাত উপস্থিত থাকিছিল। ৰাজ্যিক আৰু জিলা ভিত্তিক হাকিম, বেছি ভাগ সময়ে ৰাইজৰ মতামতৰ ওপৰত আকৌ মাজে সময়ে নিৰ্বাচনৰ জৰিয়তে নিযুক্ত কৰা হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে বিষয়া বৰ্গসকলক উপদেশ দিছিল যে তোমালোকক লোকৰ ইমাম বনাই পঠোৱা হৈ আছে যাতে লোকে তোমালোকক অনুসৰণ কৰি চলে। মুছলমানসকলৰ ন্যায্য অধিকাৰ প্ৰদান কৰিবা, তেওঁলোকক মাৰপিট নকৰিবা,এনেয়ে কাৰো পৰিচয় কৰোৱাই নিদিবা যে তেওঁ বিপদত পৰি যায়। বিচাৰপতি সকলৰ পৰা শপত লোৱা হৈছিল যে তেওঁলোকে তুৰ্কী ঘোঁৰাত আৰোহণ নকৰিব চুটি কাপোৰ পৰিধান নকৰিব। লুটি অনা আটাৰ ৰুটি নাখাব, সন্মুখৰ গেটত পহৰাদাৰ নিযুক্ত নকৰিব। বিষয়া

বৰ্গ সকলৰ ধন-মাল পৰীক্ষণ কৰা হৈছিল, যদি সেই পৰীক্ষাত বিশ্বাস নিয়াব নোৱাৰিছিল তেন্তে বিষয়া জনে তাৰ শাস্তি ভুগিব লগা হৈছিল।

হজৰত উমৰ (ৰাঃ)য়ে ইৰাক আৰু ছিৰিয়া বিজয় কৰাৰ পিছত খিৰাজৰ বিভাগলৈ দৃষ্টি দিছিল আৰু যিবোৰ ভূমি ৰজায় প্ৰজাৰ পৰা কাঢ়ি লৈ আনি তাৰ দৰবাৰৰ বিষয়া বৰ্গ সকলক দিছিল, হজৰত উমৰ (ৰাঃ)য়ে সেই ভূমি আকৌ স্থানীয় লোক সকলক ঘূৰাই দিছিল। এনেদৰে খিৰাজৰ এটা নিয়ম বান্ধি ক'ৰ আদায়ৰ পদ্ধতি বৰ সহজ কৰি দিছিল।

হজৰত উমৰ (ৰাঃ)য়ে অমুছলিম প্ৰজা সকলৰ পৰাও মতামত বিচাৰিছিল আৰু তেওঁলোকৰ অভিমতকও প্ৰাধান্য দিছিল।

হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা আগলৈ আৰু চলিব বুলি উল্লেখ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে এটা ৱেব ছাইটৰ শুভ আৰম্ভণী কৰাৰ ঘোষণা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে www.ahmadipedia.org এই ৱেব ছাইটখন কেন্দ্ৰীয় বিভাগ আৰকাইৱ আৰু ৰিচাৰ্জ চেণ্টাৰে বনাই উলিয়াইছে। য'ত এখন চাৰ্জ ইঞ্জিনৰ নক্সাত জমাতি কিতাপ, জীৱনী,ঘটনাৱলী,ধৰ্মীয় নীতি বিশ্বাস আৰু নিৰ্মাণ কাৰ্য সম্পৰ্কে বৰ্ণনা বিচাৰি পোৱা যাব। প্ৰত্যেক Entry ৰ লগতে উল্লেখিত ৱেব ছাইটত অডিঅ আৰু জমাতি কাকতৰ সৈতে সকলো বিষয়ৰে লিংক দিয়া হৈছে। বিশ্বব্যাপী সিঁচৰিত হৈ পৰা জমাতৰ সদস্য বৃন্দৰ ওচৰত বহুতো কল্যাণময় জ্ঞানৰ ভাণ্ডাৰ পৰি আছে,যিবোৰ কতো ৰেকৰ্ড কৰা হোৱা নাই। এই ৱেব ছাইটও এটা অপশন (Contribute) ৰ দিয়া হৈছে, য'ত যিকোনো বিষয়ে নিজৰ মালুমাত প্ৰমাণ আৰু তাৰ দস্তাবেজ দিব পাৰিব আৰু সেই দস্তাবেজ পৰ্যালোচনা কৰি অনুমোদনৰ পিছত সম্পৰ্কীয় বিষয়ত লৈ আনি Entry ত সোমাই দিব পৰা যাব।

উক্ত ৱেব ছাইট খন প্ৰস্তুত কৰোঁতে ট্যাকনিকেল কামবোৰ কেন্দ্ৰীয় বিভাগ আই,টিৰ অধীনত ইচ্ছা কৰ্মী সকলে সহযোগীতাৰে সুন্দৰ ভাৱে সম্পাদন কৰিছে। যিহেতু বস্তুটো বনোওয়াওতে আৰকাই উবৰ মুৰব্বী সকলে আৰু ইচ্ছাকৰ্মী সকলে অক্লান্ত পৰিশ্ৰম কৰিছে,সেয়ে আল্লাহ তালা সিহঁতক পুৰস্কৃত কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নমাজে জুমাৰ পিছত ইনশা আল্লাহ মই এই ৱেব ছাইটৰ উন্মোচন কৰিম।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَاللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**